সৰ্বানন্দ সোণোৱাল

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী



দিছপুৰ
৫-১১-২০১৮

## শুভেচ্ছাবাণী

অসম শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ বাৰ্ষিক অলোচনী 'শিক্ষাবৰ্ত্তি' প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছো।

শিক্ষা হৈছে প্ৰজ্ঞা আৰু বিকাশৰ মূল সমল। শিক্ষাৰ জৰিয়তেহে সমাজ এখন পোহৰাই তোলাটো সম্ভৱ আৰু ইয়ে মানুহক ইতিবাচক দিশেৰে আগবাঢ়ি যাবলৈ এক সুস্থ পৰিৱেশৰ নিৰ্মাণ কৰে। সৃজনীশীল চিন্তাধাৰাৰ উন্মেষৰ ক্ষেত্ৰতো শিক্ষাই সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মহান সেৱাৰ সৈতে জড়িত শিক্ষকসকলক আধুনিক ধ্যান-ধাৰণা, পৰিৱৰ্তিত পৰিস্থিতিৰ শিক্ষা ব্যৱস্থাৰ সৈতে খাপ খোৱা ইত্যাদি সম্পৰ্কত শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ে সদায়ে গুৰুত্বপূৰ্ণ প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। শিক্ষক প্ৰশিক্ষণ ব্যৱস্থাই শিক্ষকৰ সৃজনীশীল ধ্যান-ধাৰণা প্ৰসাৰিত কৰাৰ ক্ষেত্ৰটো বিশেষ ভূমিকা গ্ৰহণ কৰে। আশাকৰো, শিক্ষানুষ্ঠানৰ মুখপত্ৰ খনে শিক্ষকসকলৰ প্ৰতিভাৰ উন্মেষত সহায় কৰাৰ উপৰি মহাবিদালয়খনৰ ইতিহাস, বিভিন্ন শিক্ষামূলক দিশ অৱলোকনেৰে জ্ঞান বৰ্দ্ধনতো সহায় কৰিব। অসম শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ে ইয়াৰ প্ৰতিষ্ঠাকালৰে পৰা শিক্ষক-প্ৰশিক্ষাৰ্থী সকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ আৰু সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত অনবদ্য অৱদান আগবঢ়াই আহিছে। মহাবিদ্যালয়খনে ভৱিষ্যতেও শৈক্ষিক উত্তৰণৰ দিশত ইতিবাচক বৰঙণি আগবঢ়াই যাব বুলি আশা কৰিলোঁ।

অসম শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰাৰ লগতে আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)